# দ্বিতীয় অধ্যায়

# শীলভদ্ৰৰ উপন্যাসৰ পটভূমি

বিষয়বস্তু নিৰ্বাচন উপন্যাস সৃষ্টিৰ মূল। বিষয়বস্তুৰ ওপৰত ভিত্তি কৰি কাহিনী বিন্যাস আৰু চৰিত্ৰ গতি কৰে। কাৰণ কোনো এজন ঔপন্যাসিকে উপন্যাস এখন ৰচনা কৰাৰ প্ৰাথমিক চৰ্ত হিচাপে বিষয়বস্তু নিৰ্ণয় কৰি লৈ পট নিৰ্মাণ কৰে। সেই পটত সোমাই থাকে বিশিষ্ট চৰিত্ৰ, সমস্যা, সমাধান, ইতিহাস, ঐতিহ্য বিজড়িত এক কাহিনী। ই কোনো অঞ্চল বিশেষ বা কোনো ব্যক্তি বিশেষ বা কোনো ৰাষ্ট্ৰ বা ৰাজ্য বা কোনো নিৰ্দিষ্ট ভূখণ্ড বা ভৌগোলিক অৱস্থানৰ পৰিৱেশ আৰু সামাজিক দিশ তুলি ধৰে। য'ত শিল্পকলাৰ ভূমিকাই কাহিনী, চৰিত্ৰ, সংলাপ আৰু সময় এই চাৰিটা উপাদানৰ সহায়ত ঔপন্যাসিকে নিজস্ব ৰচনাৰীতি বা ঔপন্যাসিকৰ স্বকীয় জীৱন দৰ্শন তুলি ধৰে। ইয়াকে উপন্যাস এখনৰ পটভূমি হিচাপে ধৰা হয়। ‘পট’ মানে ‘চিত্ৰ’। অৰ্থাৎ উপন্যাসৰ বিষয়বস্তুৰ অন্তৰালত লুকাই থকা কোনো বিষয় বা কোনো ঠাইৰ বিৱৰণ বা আকৃতিগত দৃশ্যৰ পশ্চাৎ ভূমিয়ে হ'ল পটভূমি (Background of Sence)।

**শীলভদ্ৰৰ উপন্যাসৰ ভৌগোলিক অৱস্থান ঃ**

উপন্যাস এখনৰ পটভূমিৰ অৱস্থান গুৰুত্বপূৰ্ণ। সেই পটভূমি কোনো অঞ্চল বিশেষক কেন্দ্ৰ কৰি গঢ়লৈ উঠিলে, সিয়ে উপন্যাসখনৰ মুখ্য ভূমিকা বা মুখ্য চৰিত্ৰ হিচাপে স্থান দখল কৰে। শীলভদ্ৰৰ প্ৰায়বোৰ উপন্যাসৰ পটভূমি মধুপুৰ। মধুপুৰক কেন্দ্ৰ কৰিয়ে অবিভক্ত গোৱালপাৰা জিলাৰ ভৌগোলিক বিৱৰণ, অৱস্থান, সভ্যতা-সংস্কৃতি, ঐতিহ্য-পৰম্পৰা আদি স্থান পাইছে। বিশেষকৈ উপন্যাসত মুখ্য চৰিত্ৰ নায়ক-নায়িকাৰ সলনি স্থান বা কোনো এক বিশেষ অঞ্চলক মুখ্য চৰিত্ৰত উপস্থাপন কৰাটো আঞ্চলিক উপন্যাসৰ এটি অন্যতম বৈশিষ্ট্য। ‘মধুপুৰ’ উপন্যাসখন আৰম্ভণিৰ পৰা সামৰণিলৈকে কাহিনীভাগ পৰ্য্যবেক্ষণ কৰিলে দেখা যায় যে, উপন্যাসখনত কোনো একক কাহিনী পাবলৈ নাই, বৰঞ্চ খণ্ডিত কাহিনী আৰু খণ্ডিত চৰিত্ৰৰে মধুপুৰ অঞ্চলক উপন্যাসখনৰ মুখ্য চৰিত্ৰ হিচাপে গঢ়ি তুলিছে। আনহাতে ঔপন্যাসিকে যেতিয়া

প্ৰচলিত ৰীতিৰ উপন্যাস ৰচনাৰ পৰিৱৰ্তে আঞ্চলিক উপন্যাস ৰচনা কৰাৰ মন মেলে, তেতিয়া বাস্তৱ পটভূমি উপস্থাপনৰ তাগিদাত ইতিহাস, ভূগোল, বিজ্ঞান, নৃতত্ত্বগত বিষয়বোৰ অধ্যয়ন কৰি সেই বিশেষ অঞ্চলৰ লোকায়ত জীৱনৰ সংস্কাৰ-কুসংস্কাৰ, লোক-কথা, লোক-সংস্কৃতিৰ ভিন্ন দিশ উন্মোচিত হয়। অৰ্থাৎ সেই বিশেষ অঞ্চলৰ প্ৰত্যক্ষ অভিজ্ঞতাৰ মাজেৰে সেই অঞ্চলৰ আদিবাসীৰ লগত ভাবৰ আদান-প্ৰদান কৰিবলৈ সুযোগ পায়, তেতিয়া উপন্যাসত আঞ্চলিকতাৰ বাস্তৱ চিত্ৰ প্ৰতিফলিত হৈ উঠে।

শীলভদ্ৰৰ উপন্যাসৰ নিৰ্বাচিত অঞ্চল অবিভক্ত গোৱালপাৰা জিলাৰ গৌৰীপুৰ তথা মধুপুৰ। অবিভক্ত গোৱালাপাৰা জিলা অসমৰ পশ্চিম প্ৰান্তত অৱস্থিত। উত্তৰে ভূটান, দক্ষিণে গাৰো পাহাৰ, পূবে কামৰূপ আৰু পশ্চিমে পশ্চিমবংগ আৰু বহিঃৰাষ্ট্ৰ বাংলাদেশ। জিলাখনৰ উত্তৰ অক্ষৰেখা ২৫° - ২৮° আৰু ২৬ ° - ৫৪° আৰু পূৰ দ্ৰাঘিমাৰেখা ৮৯° - ৪২° আৰু ৯০° - ০৬° মাজত পৰে। জিলাখনৰ ক্ষেত্ৰ হ'ল ১০৩০৬ বৰ্গ কিলোমিটাৰ বাত৩৯৭৯ বৰ্গ মাইল। বৰ্তমান গোৱালপাৰা, কোকৰাঝাৰ, চিৰাং, বঙ্গাইগাঁও, দক্ষিণ শালামাৰা আৰু ধুবুৰী জিলাত বিভক্ত।

অবিভক্ত গোৱালপাৰা জিলাৰ একেবাৰে পশ্চিম সীমান্তত অৱস্থিত ধুবুৰী জিলা। ধুবুৰী জিলা বৰ্তমান চাপৰ, শালকোচা, বিলাসীপাৰা, বগৰীবাৰী, পানবাৰী (ৰঙামাটি), আলমগঞ্জ; গৌৰীপুৰ, গোলকগঞ্জ, আগমনী আদি অঞ্চলৰে গঠিত। ধুবুৰী জিলাৰ অন্তৰ্গত গৌৰীপুৰ তথা মধুপুৰ। গৌৰীপুৰ ৰাজ জমিদাৰী জিলাখন সাতটা পৰগণাত বিভক্ত। পৰগণাকেইখন হ'ল ক্ৰমে ঘূল্লা পৰগণা, জমিৰা পৰগণা, মাক্ৰামপুৰ পৰগণা, গোলা-আলমগঞ্জ পৰগণা, নোৱাবাদ ফুটুৰী পৰগণা, কালুমালুপাৰা পৰগণা আৰু ঔৰংগবাদ পৰগণা। তদুপৰি বিজনী ৰাজ জমিদাৰৰ খুটাঘাট পৰগণাৰ অন্তৰ্গত সৃজনগ্ৰাম আৰু আদাৰদিয়া অঞ্চল গৌৰীপুৰ ৰাজ জমিদাৰৰ অন্তৰ্ভূক্ত আছিল। সেয়ে গৌৰীপুৰ ৰাজ জমিদাৰৰ সমূদায় আয়তন আছিল ৩৫৫ বৰ্গ মাইল।

১৮৫৬ চনত ৰজা প্ৰতাপ চন্দ্ৰ বৰুৱাই ৰঙামাটিৰ পৰা গৌৰীপুৰলৈ ৰাজধানী তুলি আনে। গৌৰীপুৰত ৰাজধানী স্থাপন কৰাৰ পাছত গৌৰীপুৰ ঐতিহাসিক, শৈক্ষিক আৰু সাংস্কৃতিকভাৱে চহকী কৰি তুলিবৰ বাবে শিক্ষানুষ্ঠান, সংগীতানুষ্ঠান গঢ়ি তোলে। ফলত

গৌৰীপুৰতেই জন্ম হয় চিনেমা জগতৰ প্ৰবাদ পুৰুষ প্ৰমথেশ বৰুৱা, প্ৰখ্যাত হাতী চিকাৰী প্ৰকৃতিশ বৰুৱা (লালজী), লালজীৰ ছোৱালী পাৰ্বতী বৰুৱা, সংগীতজ্ঞ প্ৰতিমা বৰুৱা। ইয়াতেই বসবাস কৰে ৰামৰায়কুটি, দলগোমা, বগুৱান, বালীজানা সত্ৰৰ সত্ৰাধিকাৰ প্ৰভূসকলৰ বংশধৰ। অসম সাহিত্য সভাৰ সভাপতি অমৃতভূষণ অধিকাৰী দেৱ, শিৰেন্দ্ৰ নাৰায়ণ মণ্ডল, শিৰেন বৰুৱা, ষড়ানন তৰ্কতীৰ্থ, মহামহোপাধ্যায় আদ্যনাথ ন্যায়ভূষণ আৰু বহুতো। তদুপৰি গৌৰীপুৰ ৰাজবাৰী অলংকৃত কৰা পণ্ডিত তথা মহাভাৰতৰ ৰচক কৱীন্দ্ৰ পাত্ৰ। বিভিন্ন প্ৰবাদ পুৰুষৰ সংগমস্থল গৌৰীপুৰতেই জন্ম শীলভদ্ৰৰ। গৌৰীপুৰৰ বায়ু পানী, ধূলি-মাকতিৰ পৰশত ডাঙৰ হোৱা শীলভদ্ৰই প্ৰত্যক্ষ কৰিছিল ৰাজপৰিয়াল তথা জমিদাৰী বংশৰ উত্থান-পতন। গৌৰীপুৰ অঞ্চলৰ বিভিন্ন সম্প্ৰদায় মানুহৰ জীৱন শৈলীৰ উপলব্ধি। এক কথাত স্বৰাজোত্তৰ পাছত অবিভক্ত গোৱালপাৰা জিলাৰ জমিদাৰিত্বৰ অৱক্ষয় আৰু নিম্ন মধ্যবিত্ত শ্ৰেণীটোৱে উন্নতিৰ পথত অগ্ৰসৰৰ ভূমিকাই শীলভদ্ৰৰ উপন্যাসৰ পটভূমি।

**অবিভক্ত গোৱালপাৰা জিলাৰ অধিবাসী ঃ**

ভাৰতত মুঠ ছটা জাতি আৰু নটা উপজাতিৰ সন্ধান পোৱা যায়। এই জাতি উপ-জাতিবোৰৰ বিভিন্ন ফৈদ বা গোষ্ঠী অসম জুৰি সিচঁৰতি হৈ আছে। তাৰে ভিতৰত অবিভক্ত গোৱালপাৰা জিলাত মঙ্গোলীয় আৰু আৰ্য প্ৰধান বসতিৰ মানুহে বেছি। বিশেষকৈ কোচ-ৰাজবংশী আৰু থলুৱা মুছলমান বসতি প্ৰধান অঞ্চল। তদুপৰি বৰো, ৰাভা, হাজং, কলিতা, বাম্ভণ, নাথ-যোগী, বিহাৰী, মাৰোৱাৰী আদি জাতি-জনগোষ্ঠী মিলি সংমিশ্ৰিত আৰু সমন্বয়ৰ সংস্কৃতি মধুপুৰত গঢ় লৈছে। যাৰ ৰেহৰূপ শীলভদ্ৰৰ উপন্যাসত পোৱা যায়। ঔপন্যাসিকৰ ভাষাত —

> *'এই অঞ্চলৰ সৰহ সংখ্যক মানুহ হয় ৰাজবংশী সম্প্ৰদায়ৰ নহ'লে মুচলমান।'*[১]

**বৃটিছ শাসনৰ প্ৰভাৱ ঃ**

বংগদেশৰ নবাবৰ পৰা ইষ্ট ইণ্ডিয়া কোম্পানীয়ে ১৭৬৫ খ্ৰীষ্টাব্দত ৰাজ্য অধিকাৰ কৰাৰ

পাছত অবিভক্ত গোৱালপাৰা জিলা বৃটিছ শাসিত অঞ্চলত পৰিণত হয়। বিশেষকৈ ১৭৯৩ খ্ৰীষ্টাব্দত  লৰ্ড কৰ্ণৱালচিৰ ভূমি ৰাজস্ব বা ভূমিনীতিত চিৰস্থায়ী বন্দোৱস্তিয়ে অবিভক্ত গোৱালপাৰা জিলাক সাঙুৰি লয়। চিৰস্থায়ী বন্দোৰস্তীৰ উদ্দেশ্য আছিল নিয়মমাঁফিক ৰাজহ সংগ্ৰহ কৰা। সেয়ে খেতিয়কৰ আৰ্থিক অৱস্থা সকলো বছৰতে সমান নথকা বাবে ৰাজহৰ বাবদ বাৰ্ষিক আয়ৰ ক্ষেত্ৰত দেখা দিয়া অনিশ্চয়তা আৰু কোম্পানীৰ কাম-কাজ চলোৱাৰ পক্ষে অসুবিধাজনক। তদুপৰি থলুৱা প্ৰাচীন জমিদাৰ সকলে বাধা দিলে ৰায়তৰ পৰা খাজনা উঠোৱা যথেষ্ট টান। এনে অভিজ্ঞতাৰ ভিত্তিতে, নিৰ্দিষ্ট পৰিমাণৰ বাৰ্ষিক  ৰাজহ, কম নিৰিখত বান্ধি দিয়া সময়সীমাৰ ভিতৰত ৰাজহ কোষাগাৰত জমা হোৱাৰ সুবিধালৈ চাইহে কোম্পানীয়ে চিৰস্থায়ী বন্দোৰস্তী কাৰ্য্যকৰী কৰিছিল। ফলত কোম্পানী আৰু জমিদাৰৰ নতুন ভূমিনীতিৰ ৰাজহ সংগ্ৰহৰ পদ্ধতিয়ে কৃষক সমাজক বাৰুকৈ ক্ষতিগ্ৰস্থ কৰিছে। প্ৰাকৃতিক পৰিৱেশৰ বাবে খেতিৰ ফচল ফলদায়ক নহ'লেও নিৰিখ বান্ধি দিয়া ৰাজহ বা খাজনা আদায় দিয়াটো আছিল চিৰাচৰিত প্ৰথা। আনকি খেতিৰ বাবে দিয়া কৃষি ঋণ পৰিশোধ কৰিব নোৱাৰিলে ভূমি কৃষকৰ পৰা অধিগ্ৰহণ কৰা হৈছিল। কাৰণ কৃষকৰ পৰা সংগ্ৰহ কৰা ৰাজহৰ এটা অংশ বৃটিছৰ ধনভঁৰালত জমিদাৰ সকলে দিব লাগিছিল। ফলত জমিদাৰ সকলে কৃষকৰ ওপৰত  দমনমূলক শাসননীতি প্ৰয়োগ কৰিছিল। ফলস্বৰূপে একশ্ৰেণীৰ কৃষক জমিদাৰ সকলৰ বিৰোধিতা কৰিছিল। বিৰোধ কৰা কৃষক সকলক জমিদাৰ সকলে বাঁহডলা দি শাসন কৰিছিল। তাৰ ইংগিত শীলভদ্ৰৰ 'মধুপুৰ' উপন্যাসত স্পষ্ট। 'মধুপুৰ' উপন্যাসত জমিদাৰসকলৰ প্ৰতিপত্তি, নৈতিক মূল্যবোধৰ খনন, প্ৰজা সাধাৰণৰ দুৰ্বস্থা আৰু জমিদাৰী শাসন-ব্যৱস্থাৰ এক মৰ্মস্পৰ্শী বিৱৰণৰ উল্লেখ পোৱা যায়—

> *'জমিদাৰৰ কি দুৰন্ত প্ৰতাপ। আইন-আদালত, বিচাৰ-ব্যৱস্থা, সমস্তই আছিল জমিদাৰৰ হাতত। বাঁহডলা দি শাসন কৰিছিল। হোলোকা হোলেকে মুখেৰে তেজ ওলাই আহিছিল। বিদ্ৰোহী প্ৰজাক হাতীৰ ভৰিত বান্ধি মধুপুৰ লৈ আনিছিল। ঘৰ জ্বলাই দিছিল, হাতীৰে ঘৰ ভাঙি থান-বান কৰি দিছিল।'* [২]

## গৌৰীপুৰত   জমিদাৰকালীন শাসন আৰু সামাজিক  ব্যৱস্থা ঃ

ভাৰতবৰ্ষ জুৰি স্বাধীনতা আন্দোলনৰ প্ৰভাৱ গৌৰীপুৰীয়া জমিদাৰী শাসন ব্যৱস্থাৰ

ওপৰত পৰিছিল। ইয়ে জমিদাৰী শাসনৰ সামন্ততান্ত্রিক সমাজ ব্যৱস্থাৰ পৰিৱৰ্তে এক নতুন শাসন ব্যৱস্থা, সমাজ ব্যৱস্থাৰ প্রতি জনগণ আগ্রহ প্রকাশ কৰিছিল। ফলত জমিদাৰী প্রথা আৰু অভিজাত শ্রেণীৰ লগত সাধাৰণ জনগণৰ মাজত মতানৈক্য গঢ় লৈছিল। সাধাৰণ জনগণে আশা কৰিছিল এটা যুগৰ সমাপ্তি হওঁক আৰু এটা নতুন যুগৰ সূচনা হওঁক। এনে এক সমাজ পৰিৱৰ্তনৰ চিত্র সমাজ সচেতন মনোভাব আৰু প্রগতিশীল দৃষ্টিভংগীৰে অতি সংবেদনশীল ৰূপত উপস্থাপন কৰিছে। ঔপন্যাসিকৰ ভাষাত—

> *'মধুপুৰৰ চাৰি মাইল আঁতৰত দেখদেখকৈ গঢ়ি উঠিল। সকলোখিনিয়েই মধুপুৰৰ জীৱনধাৰাৰ ব্যতিক্রম। ক'তো নাই মন্থৰতা, ক'তো নাই সামান্যতম আলস্যৰ অৱকাশ। চাৰিওপিনে গতি আৰু চাঞ্চল্য। কিছুমান বিমূঢ় হৈ ৰ'ল, কিছুমানে এই গতিৰ ছন্দত নিজেও স্পন্দিত হৈ উঠিল। ভগীৰথে খেৰ আৰু বাঁহ যোগান ধৰি উশাহ নাপায়। মণি মাষ্টাৰে চাইকেলত উঠি সাউৎ কৰি ইফালে যায়, সাউৎ কৰে সিফালে যায়। ৰ'বৰ সময় নাই। গতিৰ বিৰাম নাই। কাৰো কোনো ফালে চাবৰ সময় নাই। কেৱল গতি আৰু উত্তেজনা।'* [৩]

আঞ্চলিক উপন্যাসৰ প্ৰাথমিক বৈশিষ্ট্যভৌগোলিক অৱস্থান আৰু ভৌগোলিক পৰিৱেশগত দিশৰ ওপৰত তীক্ষ্ণ দৃষ্টি ৰখা। মধুপুৰ অঞ্চলৰ জমিদাৰ, অভিজাত শ্ৰেণী আৰু নিম্ন মধ্যবিত্ত শ্ৰেণী তথা গ্ৰাম্য লোক সমাজ জীৱনৰ চিত্ৰ দুটা দিশেৰে তুলি ধৰি মধুপুৰ নামৰ উৎপত্তি, গ্ৰাম্য জীৱনৰ অৱস্থান, অভিজাত আৰু জমিদাৰী জীৱনৰ চিত্ৰ, গদাধৰ নদীৰ বৰ্ণনা, চিকাৰৰ বৰ্ণনাৰ লগতে বগৰীবাৰী, ধুবুৰী, পানবাৰী, টোকৰাবান্ধা, আলোকঝাৰী, চাপৰ, মহামায়াহাট, গোৱালপাৰা, মধুপুৰ, খোৰাঘাট ইত্যাদি অঞ্চলৰ উল্লেখে মধুপুৰ অঞ্চলৰ এটি পৰিচয় দাঙি ধৰে। ঠিক তেনেদৰে মধুপুৰৰ ভৌগোলিক অৱস্থানগত পৰিচয় ঔপন্যাসিকে তুলি ধৰিছে এনেদৰে —–

> *'পৃথিৱীৰ ওপৰি ভাগৰ আয়তন চমুকৈ বিশ কৌটি বৰ্গ মাইল। মধুপুৰৰ আয়তন হ'ল ৭.২ বৰ্গ মাইল। বুৰঞ্জীৰ পাতত স্থান পাব পৰা কোনো ঘটনা তাত ঘটা নাই। তথাপি মধুপুৰৰ এশ বছৰৰ ইতিহাস অসমৰ এটা যুগ সন্ধিক্ষণৰ বিশেষ সমাজ এটাৰ উত্থান-পতনৰ ইতিহাস।'* [৪]

আকৌ মধুপুৰৰ নিজস্ব ভৌগোলিক পৰিচয় তুলি ধৰিছে—

*‘মধুপুৰৰ কেন্দ্ৰত থাকিব জমিদাৰৰ বাসভৱন। ধুনীয়া ৰাজপ্ৰসাদৰ নিচিনা। দক্ষিণে স্কুল ঘৰ, দাতব্য চিকিৎসালয়। যুগ যুগ ধৰি থাকি যাব। বৰ্তমান গৌৰৱোজ্জল ৰূপৰ ভৱিষ্যৎ সাক্ষী। জমিদাৰৰ বাসভৱনৰ সংলগ্ন অফিচ, কাছাৰী,তোষাখানা অৰ্থাৎ ধনভঁৰাল। পিচফালে কৰ্মচাৰীসকলৰ বাসস্থান। সুপৰিকল্পিত আৰু সুন্দৰ আৱাসিক অঞ্চল। ৰাস্তা-ঘাট-পুখুৰী।’*[৫]

সেয়ে মধুপুৰৰ ভৌগোলিক অৱস্থান আৰু পৰিচয়গত উপস্থাপন নিঃসন্দেহ মনোৰম।

**ভাষাৰ ভৌগোলিক অৱস্থানগত ৰূপ ঃ**

ভৌগোলিক অৱস্থানৰ ওপৰত ভিত্তি কৰি ভাষাৰ পৰিৱৰ্তন অপৰিহাৰ্য। য’ত অঞ্চল ভিত্তিত ভাষাৰ ধ্বনি, শব্দ আৰু উচ্চাৰণগত ভিন্নতাই নিজস্ব তাৎপৰ্য আৰু বৈচিত্ৰ্যগত পৰিৱেশ সৃষ্টি কৰে। ইয়ে জনসাধাৰণৰ মুখৰ ভাষা তথা আঞ্চলিক ৰূপ ঔপন্যাসিকৰ বৰ্ণিত বিষয়ক পাঠক বৰ্গৰ ওচৰলৈ যোৱাত প্ৰত্যক্ষভাৱে সহায় কৰিছে। অৰ্থাৎ লোক-জীৱন, লোকভাষা সম্পৰ্কে শীলভদ্ৰ আছিল যথেষ্ট সচেতন। শীলভদ্ৰৰ উপন্যাসত ভাষিক ভিন্নতাৰ ৰূপ সৃষ্টিৰ মূলত ভৌগোলিক অৱস্থানৰ প্ৰভাৱ। ঔপন্যাসিকৰ ভাষাত —

*‘নিজেই গম পালো উচ্চাৰণ ঠিক হোৱা নাই। সকলোৰে হাঁহি বাগৰি পৰিল। লাজ আৰু ক্ষোভত মোৰ অৱস্থা অস্বস্তিকৰ হৈ উঠিল। মই হাড়ে-হিমজুৰে অসমীয়া। অসমৰ গৌৰৱত মোৰ বুকু ওফন্দি উঠে। ভৌগোলিক অৱস্থানৰ প্ৰভাৱত মোৰ উচ্চাৰণ কিছু বেলেগ ধৰণৰ।’* [৬]

ইয়াত স্পষ্ট যে, অবিভক্ত গোৱালপাৰা জিলাত প্ৰচলিত ভাষাৰ আঞ্চলিক ৰূপৰ প্ৰয়োগ যথেষ্ট। তদুপৰি অঞ্চলকেন্দ্ৰিক ভাষা প্ৰয়োগৰ ক্ষেত্ৰত ঔপন্যাসিক আছিল সদা-সচেতন। যেনে- সূৰুজমুখী শব্দটো উচ্চাৰিত হয় হুৰুজমুখী, খুৰুজমুখী। অৰ্থাৎ ‘স’ ধ্বনিৰ ঠাইত ‘হ’ আৰু ‘খ’ ধ্বনিৰ উচ্চাৰণ গোৱালপাৰা অঞ্চলৰ ভাষাৰ এটি অন্যতম বৈশিষ্ট্য। ভাষাৰ আঞ্চলিক ৰূপৰ ভিন্নতা শীলভদ্ৰৰ উপন্যাসত হুবহু ৰূপত উপস্থাপন কৰিছে। উদাহৰণ স্বৰূপে—

*‘ৰঘুনাথেৰ গাৰ বিষ উঠ্‌ছে। আসিৰ নাপাইবে। সেল্‌কু আৰ গেদু হাট*

*কৰিবাৰ গেইল।'* [৭]

এই ভাষা গৌৰীপুৰ অঞ্চলৰ কথিত ভাষা।

আকৌ,

*'নুট হইল, নুট হইল নুট হইল ৰে,*
*চীলমাৰীৰ বাজাৰ নুট হইল ৰে,*
*কত নাহ্‌লী, নহ্‌বন, কেহ্‌ৰাচিন তেল,*
*সবে নিলে নুটিয়া।*
*কাইঞা কান্দে মাথাত হাত দিয়া।'* [৮]

ধুবুৰী জিলাৰ দক্ষিণপাৰ অৰ্থাৎ ব্ৰহ্মপুৰৰ সিপাৰে ভাষিক ৰূপৰ ভিন্নতা পোৱা যায়। মানকাচাৰৰ অন্তৰ্গত সুখচৰৰ ওচৰত চীলমাৰীৰ হাট। চীলমাৰী অঞ্চলত প্ৰচলিত কথিত ৰূপৰ অবিকল উপস্থাপন। 'ল' ৰ ঠাইত 'ন'ৰ ধ্বনিৰ প্ৰয়োগ দেখা যায়।

গোৱালপাৰাৰ ভাষাৰ যে এটা সুকীয়া ভাষিক বৈশিষ্ট্য আছে, সেই কথাটো যে উজনি অসমৰ অসমীয়াই মানি ল'ব নোখোজে, অসমীয়াৰ সলনি বঙাল বা বঙ্গালী বুলি ক'ব খোজে, তাৰ একমাত্ৰ কাৰণ ভাষাৰ উচ্চাৰণগত পাৰ্থক্য। সেয়েহে ঔপন্যাসিকে আক্ষেপ প্ৰকাশ কৰিছে—

*বুজিছ। সিফালৰ মানুহে আমাক অসমীয়া বুলি মানিবই নোখোজে। একমাত্ৰ 'শ'ৰ উচ্চাৰণৰ ওপৰত ভিত্তি কৰি ভাষা এটা হ'ব পাৰে নে? এইটো এটা কথা হ'ল নে? শুনিবচোন। ঢাকাৰ মানুহে 'শ' ক 'হ' কয় নে নকয়? শালাক হালা কয়। আমি কলিকতাত থাকি পঢ়াশুনা কৰিছোঁ। চট্ৰগ্ৰাম বা নোৱাখালীৰ দুজন মানুহে কথা পাতিলে কাৰ সাধ্য আছে একবৰ্ণ বুজি পায়। পূৰ্ব আৰু পশ্চিমবঙ্গৰ মানুহে পৰস্পৰৰ কথা-বতৰা লৈ ঠাট্টা তামাচা কৰা শুনিছোঁ। কিন্তু কোনেও কাকো বঙালী নহয় বুলি তো কোৱা শুনা নাই।* [৯]

ভৌগোলিক পৰিসীমাৰ বাবে ভাষিক পৰিৱৰ্তন হোৱাটো স্বাভাৱিক। বিশেষকৈ কোনো অঞ্চলৰ ভাষাৰ বচনভংগী বা কথা কোৱাৰ ধৰণ মূলতঃ মান্য ভাষাৰ পৰিৱৰ্তে ব্যক্তি জীৱন

বা পৰিয়ালৰ মাজত ব্যৱহৃত ভাষাৰ পাৰ্থক্য মনকৰিবলগীয়া। ভৌগোলিক অৱস্থান মানেই কোনো ভৌগোলিক পৰিসীমাৰ অন্তৰ্গত তথা কোনো অঞ্চল বিশেষৰ নিৰ্দিষ্ট জাতি বা গোষ্ঠীৰ জীৱনধাৰাক বুজায়। অৰ্থাৎ নিৰ্বাচিত অঞ্চলত বসতি কৰা গোষ্ঠীৰ জীৱন চিত্ৰ, সেই ঠাইৰ locality অৰ্থাৎ স্থানীয় ৰহণৰ বহিঃপ্ৰকাশ সৃষ্টিৰ মূল কাৰক হ'ল ভৌগোলিক অৱস্থান।

**শীলভদ্ৰৰ উপন্যাস সমগ্ৰৰ পটভূমি ঃ**

শীলভদ্ৰৰ উপন্যাসৰ নিৰ্বাচিত পটভূমি অবিভক্ত গোৱালপাৰা জিলাৰ জমিদাৰ শাসিত অঞ্চল গৌৰীপুৰ তথা মধুপুৰ। সেই মধুপুৰৰ লগত শীলভদ্ৰৰ ব্যক্তিগত জীৱনৰ সম্পৰ্ক আৰু যোগাযোগ অত্যন্ত নিবিড়। জন্মসূত্ৰে গৌৰীপুৰত ডাঙৰ-দীঘল, শিক্ষা অৰ্জন আৰু ঠিকাদাৰী কৰ্মই সমাজ-সংস্কৃতি, ৰাজনৈতিক পৰিকাঠামোৰ লগতে গৌৰীপুৰ অঞ্চলৰ সাধাৰণ মানুহৰ পৰা আৰম্ভ কৰি জমিদাৰ পৰিয়ালৰ লগত সু-সম্পৰ্ক থকা শীলভদ্ৰৰ প্ৰত্যক্ষ অভিজ্ঞতা আহৰণে উপন্যাসৰ সমল। শীলভদ্ৰৰ উপন্যাসত ব্যক্তিগত জীৱনৰ প্ৰত্যক্ষ আৰু পৰোক্ষ অভিজ্ঞতাৰ প্ৰতিফলন ঘটিছে। শীলভদ্ৰৰ উপন্যাসৰ পটভূমি মূলতঃ আঞ্চলিক। পটভূমিৰ পৰিৱেশ, শ্ৰেণীগত অৱস্থান আৰু ভিন্ন শ্ৰেণীৰ মানুহৰ চৰিত্ৰৰ বাস্তৱ চিত্ৰায়ণ আঞ্চলিকতাৰ দৃষ্টিত সঠিক ৰূপায়ণ হোৱাটো বাঞ্চনীয়। এই ক্ষেত্ৰত শীলভদ্ৰৰ প্ৰায়বোৰ উপন্যাসতে গৌৰীপুৰ তথা মধুপুৰ অঞ্চলৰ বিশেষত্ব, জমিদাৰী শাসন তথা অভিজাত শ্ৰেণীৰ নিজস্ব বৈশিষ্ট্য আৰু সেই অঞ্চলৰ খিলঞ্জীয়া কোচ-ৰাজবংশী আৰু মুছলমান সম্প্ৰদায়ৰ লগতে কলিতা, বামুন, নাথ-যোগী, বঙালী, বিহাৰী, মাৰোৱাৰী আদি জাতি-জনগোষ্ঠীৰ সাতামপুৰুষীয়া সমাজ-ব্যৱস্থাৰ অন্তৰ্গত বিশেষকৈ ইয়াৰ লোক-সংস্কৃতি, লোকভাষা, লোক-সমাজ, লোক-ৰাজনীতি, লোক-অৰ্থনীতি আদিৰ নিজা বিশেষত্ব প্ৰকাশ পাইছে।

অতীত জীৱন। অতীতৰ পটভূমি আৰু বৰ্তমানৰ পৰশতে সদ্য জীৱন আৰু ইতিহাস প্ৰাণ পাই উঠে। ঔপন্যাসিক শীলভদ্ৰই অতীতক আধাৰ হিচাপে গ্ৰহণ কৰি অসমীয়া উপন্যাসৰ ৰচনাশৈলীত এক নতুন সংযোজন। যিজনে অসমীয়া উপন্যাসৰ পটভূমি; বিষয়বস্তু নিৰ্বাচন আৰু উপস্থাপন কৌশল ৰীতিৰ সুকীয়া ধাৰা এটিৰ সৃষ্টি কৰিছে। তেখেতৰ উপন্যাসৰাজিত ভৌগোলিক বিৱৰণ, নিৰ্বাচিত অঞ্চলৰ অধিবাসীৰ সুখ-দুখৰ কথা, বৃটিছ শাসন

ব্যৱস্থা, স্বাধীনতা আন্দোলনৰ প্ৰভাৱ, জমিদাৰকালীন গোৱালপৰীয়া বা গৌৰীপুৰীয়া সমাজ ব্যৱস্থা, আৰ্থ-সামাজিক আৰু সাংস্কৃতিক বাতাবৰণ আৰু সামাজিক পৰিৱৰ্তনৰ দিশসমূহ লক্ষণীয়। বিশেষকৈ, আঞ্চলিক উপন্যাসৰ সৰ্বপ্ৰথম উপাদান ভৌগোলিক অৱস্থান আৰু পৰিৱেশ। শীলভদ্ৰৰ উপন্যাসত ভৌগোলিক অৱস্থানগত বিশেষ বিশেষ স্থানৰ উল্লেখ, মানুহৰ দৈহিক গঠন, খাদ্যাভাস, সাজ-পাৰ আৰু ভাষা-সংস্কৃতিৰ নিজস্ব ৰূপ সততে পৰিলক্ষিত হয়। গতিকে শীলভদ্ৰৰ উপন্যাসসমূহ অধ্যয়ন কৰিলে দেখা যায় যে, প্ৰায় কেইখন উপন্যাসৰ পটভূমি অবিভক্ত গোৱালপাৰা জিলা। ইয়াৰ অন্তৰ্গত তথা একেবাৰে পশ্চিম প্ৰান্তত অৱস্থিত ধুবুৰী জিলা। ধুবুৰীৰ অন্তৰ্গত এখন সৰু ঠাই গৌৰীপুৰ। এই গৌৰীপুৰেই হ'ল মধুপুৰ অৰ্থাৎ শীলভদ্ৰৰ উপন্যাসৰ মূল বিষয়বস্তু কেন্দ্ৰিক পটভূমি।

'মধুপুৰ' উপন্যাসখনৰ পটভূমি অবিভক্ত গোৱালপাৰা জিলাৰ গ্ৰাম্য চহৰ গৌৰীপুৰ। গৌৰীপুৰক কেন্দ্ৰ কৰি 'মধুপুৰ'ৰ সৃষ্টি। মধুপুৰেই গৌৰীপুৰ। গৌৰীপুৰ অঞ্চলেই আছিল জমিদাৰী শাসন ব্যৱস্থাৰ কেন্দ্ৰস্থান। সেইসূত্ৰে গৌৰীপুৰ অঞ্চল লৈ আগমন ঘটিছিল ভিন্ন সম্প্ৰদায় মানুহৰ আৰু গঢ় লৈ উঠিছিল শিক্ষা-সংস্কৃতিৰ জ্যোতি।

মধুপুৰ। মধুপুৰ এখন সৰু ঠাই। যাৰ ঐতিহ্য চিৰ প্ৰৱাহমান। যিয়ে আজিও চিনাকি কৰি দিয়ে পশ্চিম অসমৰ ধুবুৰী জিলাৰ গৌৰীপুৰ অঞ্চল। ঘুৰলাৰ জমিদাৰ প্ৰতাপ চন্দ্ৰ বৰুৱাই ১৮৫০ চনত গৌৰীপুৰ চহৰ প্ৰতিষ্ঠা কৰে। গৌৰীপুৰ ঐতিহ্য বিজড়িত সামাজিক সাংস্কৃতিক কেন্দ্ৰ হিচাপে গঢ় দিয়াৰ ক্ষেত্ৰত জমিদাৰে অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছিল। তাৰ নিদৰ্শন স্বৰূপ জমিদাৰবাৰী বা ৰাজবাৰীত বিভিন্ন সময়ত পূজা-পাৰ্বন, উৎসৱ অনুষ্ঠিত হৈছিল। অনুষ্ঠানত স্থানীয় লোকগীতি নাট্য কুশানগান, ময়নামতী, সত্যপীৰ, মনাই যাত্ৰা, পদ্মপুৰাণ, বাশীপুৰাণ, ভাৰীগান, খাৰাতাল আদি অনুষ্ঠিত হোৱাৰ লগতে মহামায়া মাঠত দুৰ্গা পূজাৰ সময়ত বহিঃৰাজ্যৰ অপেৰা নাট্যদলৰ নাট মঞ্চস্থ হৈছিল। উৎসৱ অনুষ্ঠানবোৰত আমোলা মহৰী জোতদাৰৰ বাহিৰেও স্থানীয় পুৰোহিত, ব্ৰাহ্মণ, জ্যোতিষী, নাপিত, বাদ্যকৰ, হীৰা, মালী, ভূঁইমালী আদি সাধাৰণ শ্ৰেণীৰ মানুহেও অংশ গ্ৰহণ কৰিব পাৰিছিল। তদুপৰি মহিলা সকলেও কাতিকা নৃত্য, ব্ৰত কথা, আইনাম আদি পৰিৱেশন কৰাৰ সুবিধা পাইছিল। ফলত গৌৰীপুৰ গঢ় লৈছিল সাহিত্য সংস্কৃতিৰ কেন্দ্ৰ আৰু সমন্বয়ৰ প্ৰতীক ৰূপত। ভাৰত স্বাধীনতাৰ পাছত

জমিদাৰী শাসন ব্যৱস্থা, মাটিৰ মালিকানা স্বত্ব, বংশানুক্ৰমিক উত্তৰাধিকাৰী পৰম্পৰা ক্ৰমন্বাৰে নিঃশেষ হ'বলৈ ধৰে। ইয়াৰ মূলতে বৃটিছ শাসন ব্যৱস্থা, লৰ্ড কৰ্ণৱালচিৰ চিৰস্থায়ী বন্দোৱস্তী, স্বাধীনতা আন্দোলনৰ প্ৰভাৱ আৰু স্বাধীনতা লাভ, ইয়ে জমিদাৰী শাসন ব্যৱস্থাৰ পট পৰিৱৰ্তনৰ অন্যতম কাৰক । স্বাধীনতাৰ পাছত চৰকাৰী নীতি গ্ৰহণ, আইন প্ৰণয়ন, জমিদাৰৰ জমিদাৰিত্ব অধিগ্ৰহণৰ ফলত সম্পূৰ্ণ অৰ্থনৈতিক ব্যৱস্থা ভাঙি পৰে। গৌৰীপুৰ জমিদাৰ পৰিয়ালৰ উচ্চাভিলাষী মনোভাব আৰু জমিদাৰী শাসন ব্যৱস্থাৰ প্ৰতি অনীহা নামি আহে। জমিদাৰী পৰিয়াল লাহে লাহে কলিকতা মুখী হয়। কলিকতাৰ পৰাই জমিদাৰী শাসন আমোলা বিষয়াৰ হতুৱাই পৰিচালনা কৰিবলৈ লয়। ফলত গৌৰীপুৰৰ চৌদিশে বিশৃংখলতাই দেখা দিয়ে। পৰম্পৰাগত সমাজ ব্যৱস্থাৰ পৰিৱৰ্তে নতুন চিন্তাধাৰা গা কৰি উঠে। এনে নিত্য নতুন পৰিৱৰ্তন আৰু পৰিৱৰ্ধন হ'ল গৌৰীপুৰৰ ঐতিহ্য।

গৌৰীপুৰক কেন্দ্ৰ কৰিয়ে অবিভক্ত গোৱালপাৰা জিলাৰ ইতিহাস আৰু ঐতিহ্য জড়িত। ইয়াৰ লগত শীলভদ্ৰৰ সম্পৰ্ক আছিল নিবিড় আৰু ইয়ে উপন্যাসৰ বিষয়বস্তু উপস্থাপনৰ ক্ষেত্ৰত সহায়ক হৈছে। ইতিহাস আৰু ঐতিহ্য জড়িত কথাবোৰ তুলি ধৰোঁতে সমকালীন সমাজৰ কথা ক'বলৈ পাহৰা নাই। বিশেষকৈ মধুপুৰ অঞ্চলৰ সামাজিক, সাংস্কৃতিক আৰু অৰ্থনৈতিক অৱস্থা, জমিদাৰী শাসনৰ শোষণ ব্যৱস্থা, মধ্যবিত্ত শ্ৰেণীৰ ইয়াৰ বিৰুদ্ধে বিদ্ৰোহ, শিক্ষা আহৰণ, কৰ্ম সংস্থাপনৰ পৰিৱৰ্তন আদিৰ সুন্দৰ উপস্থাপন ৰীতি সততে প্ৰতিফলিত হয়। কাৰণ শীলভদ্ৰৰ মধুপুৰ এক অনন্য নিৰ্মাণ, তাৰ হাব-ভাব আঞ্চলিক, আঞ্চলিকতাৰ দৃষ্টিৰে মধুপুৰৰ চিত্ৰৰ মাজেদি মানুহৰ চিৰন্তন আৱেগ-অনুভূতিবোৰ নিপুণতাৰে ফুটাই তোলাৰ প্ৰয়াস কৰিছে। মধুপুৰ অঞ্চলতে বিচৰণ কৰি মধুপুৰ অঞ্চলৰ কেচাঁ মাটিৰ গোন্ধ, তাৰ প্ৰকৃতি, অভিজাত জীৱনৰ বিপৰ্যতা, সামন্ততান্ত্ৰিক জীৱন বিন্যাসৰ অৱসান আদিৰ চৰিত্ৰত ভেজা দি মানৰ সমাজলৈ অহা পৰিৱৰ্তন আৰু পৰিৱৰ্ধনৰ বিষয়ে হ'ল ইয়াৰ পটভূমি।। সেয়ে শীলভদ্ৰৰ 'মধুপুৰ' উপন্যাসৰ পটভূমি সম্পৰ্কত সত্যেন্দ্ৰ নাথ শৰ্মাই উল্লেখ কৰিছে —

> *'উপন্যাসখনত দুটা যুগৰ দুটা বিভিন্নমুখী পুৰুষৰ সামাজিক ইতিহাস চিত্ৰত হৈছে। নতুন পুৰুষৰ চিত্ৰণে প্ৰাসঙ্গিক ৰূপতহে প্ৰকাশ পাইছে। বিগত বা পুৰণি পুৰুষটোৰ ব্যক্তিগত উৎকেন্দ্ৰিকতা, খামখেয়ালি.*

*আভিজাত্যৰ গৰ্ব আৰু সন্মানবোধ, বিলাস-বিনোদ, সাধাৰণ প্ৰজাৰ প্ৰতি অৱজ্ঞাভৰা দৃষ্টি, জমিদাৰৰ বিলাস বদান্যতা, জাকজমকতা, কংগ্ৰেছ আন্দোলন আৰু দ্বিতীয় মহাযুদ্ধই মধুপুৰৰ স্থবিৰ জীৱনত অনা উখল-মাখল, নতুন ভাবধাৰা আৰু শিক্ষা প্ৰচাৰৰ ফলত ঘটা সামাজিক পৰিৱৰ্তন, মধুপুৰত প্ৰচলিত প্ৰাচীন ৰীতি-নীতি, উৎসৱ এই সকলোবোৰ উপন্যাসত ধৰি ৰাখিবলৈ সক্ষম হৈছে।' ১০*

'তৰংগিনী' উপন্যাসৰ পটভূমি উজনি অসমৰ তৰংগিনী চাহ বাগিচা। তৰংগিনী চাহ বাগিচাত দুবছৰীয়া কৰ্ম জীৱনৰ স্মৃতিয়ে ঔপন্যাসিকক তৰংগিনী সৃষ্টিত অৰিহণা যোগাইছে। অতীত স্মৃতি ৰোমন্থনৰে 'তৰংগিনী' উপন্যাসত বৰ্ণিত কাহিনীয়ে চাহ মজদুৰৰ সমাজখনক প্ৰতিনিধিত্ব কৰে। বিশেষকৈ অসমৰ চাহ বাগানত ঘটি থকা নিয়মমাঁফিক জীৱনৰ যি অংক, সেই অংক বনুৱাসকলৰ। বনুৱাসকলৰ জীৱন পৰিকাঠামো, মালিকৰ স্বেচ্ছাৰিতা আৰু আভিজাত্য, বাগানীয়া সমাজত বিশ্বাস-অবিশ্বাস, নাৰী সমাজৰ অশোচনীয় অৱস্থাৰ বাস্তৱানুগ বিৱৰণ আৰু নৰ-নাৰীৰ ভিন্ন সুৰ হ'ল 'তৰংগিনী উপন্যাসৰ পটভূমি।

আগমনী, গৌৰীপুৰ আৰু গংগাধৰ নৈ কেন্দ্ৰিক পটভূমিত ৰচিত শীলভদ্ৰৰ 'আগমনীৰ ঘাট' উপন্যাস এখন উল্লেখযোগ্য উপন্যাস। উল্লেখযোগ্য কোৱাৰ মূলতে ইয়াৰ পৰিৱেশ পাৰিপাৰ্শ্বিকতাত কোনো অলৌকিকতা বা নৈসৰ্গিক কাব্যসমতাৰ পৰিৱৰ্তে আছে এক বাস্তৱ দৃশ্য আৰু চিত্ৰ। য'ত লোকসমাজৰ কৃষক, শ্ৰমজীৱি আৰু নিম্নশ্ৰেণীৰ মানুহৰ জীৱন সংগ্ৰামৰ যুঁজৰ কেন্দ্ৰবিন্দু গংগাধৰ নৈৰ আগমনীৰ ঘাট আৰু ৰাষ্ট্ৰীয় ঘাইপথ। ইয়ে লোকজীৱনক এমুঠি ভাত দিছে, জীয়াই থকাৰ সপোন দেখুওৱাইছে। জীয়াই থাকিবৰ হ'লে লোকজীৱনত কৃষ্টি-সংস্কৃতিৰ অতি প্ৰয়োজন। সেয়ে আলোচ্য উপন্যাসখনত লেখকে গৌৰীপুৰ, আগমনী অঞ্চলৰ ভৌগোলিক, সামাজিক, সাংস্কৃতিক জীৱন চিত্ৰ তুলি ধৰি অঞ্চল বিশেষৰ লোক উপাদানৰ বিশেষত্ববোৰৰ প্ৰকাশ ঘটাইছে। সাহিত্যত লোকজীৱনৰ পূৰ্ণাংগ প্ৰতিফলন ঘটে লোক-উপাদানৰ প্ৰয়োগ আৰু ব্যৱহাৰত। লেখকে য'তে সুযোগ পাইছে, ত'তে গৌৰীপুৰ অঞ্চল বিশেষত প্ৰচলিত ভাষা-সংস্কৃতিৰ সুন্দৰ ব্যৱহাৰ, সৰু-সুৰা কথাবোৰ যেনেদৰে উপস্থাপন কৰিছে, সি অতি উপাদেয় হৈছে। ইয়ে উপন্যাসখনক সবল আৰু সাৰ্থক ৰূপত প্ৰতিষ্ঠা কৰিছে।

'আগমনীৰ ঘাট' উপন্যাসখনৰ মূল বিষয় কৰ্ম অভিজ্ঞতা। কৰ্মৰ তাগিদাত লেখক যদি ঠিকাদাৰী বৃত্তি গ্ৰহণ নকৰিলহেঁতেন, হয়তো আগমনীৰ ঘাট উপন্যাসত প্ৰতিফলিত কাহিনী, চৰিত্ৰৰ সৰস বৰ্ণনাৰে অবিভক্ত গোৱালপাৰা জিলাৰ জন-জীৱনৰ বাস্তৱ প্ৰতিচ্ছবি প্ৰকাশ নাপালেহেঁতেন। উপন্যাসখনৰ সূত্ৰপাত ঠিকাদাৰী জীৱনৰ হিচাপ-নিকাচ। সেই হিচাপ-নিকাচৰ মাজত বিভিন্ন চৰিত্ৰৰ সংস্পৰ্শ, চাৰিত্ৰিক ভিন্নতা, স্থানীয় পৰিৱেশ আৰু সামাজিক পৰম্পৰা আৰু পৰিৱৰ্তনৰ প্ৰত্যক্ষ অভিজ্ঞতাৰ সমলে 'আগমনীৰ ঘাট'ৰ পটভূমি।

'আহঁতগুৰি' উপন্যাসৰ পটভূমি ৩২ নং নেচনেল হাইওৱে। নেচনেল হাইওৱে নিৰ্মাণৰত অৱস্থাত শ্ৰমিক মহৰী ঠিকাদাৰৰ কৰ্ম ব্যস্ততাৰ ৰং চাই থকা আঁহতগুৰি তথা পেৰপেৰীয়া অঞ্চলৰ স্থানীয় ডেকা নীলাম্বৰক হৰিৰামে ৰতিয়াদহৰ পৰা অলপ দূৰত থকা কেঁকুৰিত আহঁত এজোপাৰ তলত সৰু এখন চাহ তামোলৰ দোকান দিয়াত সহায় কৰে। নীলাম্বৰৰ চাহ দোকানখনে আহঁতগুৰিৰ পৰিৱৰ্তনৰ মূল কাৰক। নীলাম্বৰৰ চাহ দোকানক কেন্দ্ৰ কৰি নিত্য-নতুন সৰু-বৰ দোকান গঢ়ি উঠিছে। সাপ্তাহিক বজাৰ বহিছে। বেপাৰীৰ আগমন ঘটিছে, ভিন্ন ভাষা-ভাষী মানুহ আহিছে, কিছুমানে স্থায়ীভাৱে থাকিবলৈ লৈছে, কিছুমানে ব্যৱসায় কৰি গুচি গৈছে, শিক্ষানুষ্ঠান গঢ়ি উঠিছে, এচামে নিঃস্বাৰ্থভাৱে আৰ্থিক সাহাৰ্য আগবঢ়াইছে, এচামে শিক্ষানুষ্ঠানক লৈ ৰাজনীতি কৰিছে, মুনফা লুটিছে, নীলাম্বৰ, বীৰেনৰ দৰে সততা থকা মানুহৰ বাবে আহঁতগুৰিত সমুজুৱা অনুষ্ঠান গঢ়ি উঠিছে। হাইওৱেৰ কাম সম্পূৰ্ণ হোৱাত দূৰ-দূৰণিৰ বাছ ট্ৰাকৰ বাবে যাতায়তৰ পথ সুচল হৈছে। আহঁতগুৰিলৈ দৈনন্দিন ব্যস্ততা ক্ৰমন্বায়ে বাঢ়ি আহিছে। আহঁতগুৰিৰ মানুহ শিক্ষা-দীক্ষাত আগবাঢ়িছে। তাৰ মাজতে আকৌ ৰাজনৈতিক, অৰ্থনৈতিক তথা স্ব-শাসন ব্যৱস্থাৰ অধিকাৰ বিচাৰি স্থানীয় মানুহ কিছুমানে কমতাপুৰৰ দাবী তুলিছে। এই চিন্তাত অগ্ৰণী ভূমিকা গ্ৰহণ কৰিছে গজেন মণ্ডলে। গজেন মণ্ডলে বীৰেন মাষ্টাৰক কৈছে—

> *'নিজৰ ভৱিষ্যৎ নিজে গঢ়িব পৰাৰ সুযোগ এটা আদায় কৰি ল'ব লাগিব। নহ'লে অনুন্নত অঞ্চল বা সম্প্ৰদায় আপেক্ষিকভাৱে চিৰকাল অনুন্নত থাকিয়ে যাব।'*[১১]

দেশ বিভাজনৰ সময়ত এচাম মুছলমান মানুহ স্ব-গৃহভূমি এৰি বাংলাদেশলৈ গৈছে।

এনে ভিন্ন ৰঙী চৰিত্ৰৰ আগমন আহঁতগুৰিলৈ ঘটিছে। কোনোবাই সুবিধাবাদী, কোনোবাই সততাত জীৱন উৎসৰ্গ কৰিছে, কোনোবাই জাতি মাটি ভেটিৰ কথা ভাবিছে, কাৰোবাৰ ভিন্ন ৰঙী পৰিৱেশত পৰি জীৱন ধ্বংস হৈছে, তাৰ মাজতে গঢ় লৈছে স্থানীয় সংস্কৃতিৰ সমাহাৰ, ভিন্ন ভাষিক গোষ্ঠীৰ সাংস্কৃতিক মিলন তথা সমন্বয়, যিয়ে আহঁতগুৰি অঞ্চলটিক চৰিত্ৰত অৱতীৰ্ণ কৰিছে। আহঁতগুৰিৰ চৰিত্ৰ বৰ্ণিত বিষয়ে হ'ল ইয়াৰ পটভূমি।

'অবিচ্ছিন্ন' উপন্যাসখনৰ বিষয়বস্তুৰ মূল ভেটি মধুপুৰ। মধুপুৰৰ লগত সংযোগ বিচ্ছিন্নতা, যি বিচ্ছিন্নতাৰ সংযোগকাৰীৰ ভূমিকা লৈছে কিৰণবায়ে। কিৰণবাইক লগ পোৱাৰ পিছত মধুপুৰৰ কথা মনত পৰিছে। যি মধুপুৰত ঔপন্যাসিক শৈশৱ, যৌৱন অতিবাহিত কৰিছে, বিভিন্ন দৃশ্যপট উপভোগ কৰিছে, বিভিন্ন চৰিত্ৰৰ মানুহক লগ পাইছে, মিঠা-তিতা ভিন্ন স্বাদৰ অভিজ্ঞতা লাভ কৰিছে, সেই মধুপুৰৰ কথা কিৰণবাইৰ উপস্থিতিয়ে মনত পেলাই দিছে। মধুপুৰৰ সমাজ, মধুপুৰৰ মানুহ, গদাধৰৰ পাৰ, মাঝিপাৰা, ৰাজবংশী গাঁও, মহাময়া মাট, গৌৰীপুৰ ৰাজহাউলী, ৰজাঘৰৰ লগত দেউতাৰ সম্পৰ্ক, দেউতাৰ ঠিকাদাৰী কামৰ লগত জড়িত কেৰাণি-মহৰীৰ পৰা আদি কৰি উচ্চবৰ্গৰ কৰ্মচাৰী বিষয়া, অভিযন্তা, শ্ৰমিকৰ পৰা গাঁৱলীয়া ভিন্ন মানুহৰ বিপদ-আপদ, চল-চাতুৰী কৰা মানুহ কিছুকে আদি কৰি অনেক বৈচিত্ৰ্যময় চাৰিত্ৰিক গুণে মধুপুৰক বৈচিত্ৰতা প্ৰদান কৰিছে। য'ত গঢ় লৈছে ভ্ৰাতৃত্ববোধৰ এনাজৰী, সমন্বয়, যিয়ে মধুপুৰৰ মানুহৰ মাজত এক আপোনভাব গঢ় লৈছে। সেই অভিজ্ঞতাৰ সুক্ষ্ম নিৰক্ষণ আৰু উপস্থাপনৰ মাধ্যমত মধুপুৰৰ চিত্ৰ 'অবিচ্ছিন্ন' নামকৰণৰে উপন্যাসখনত সুন্দৰ কৈ তুলি ধৰিছে।

'গধূলি' উপন্যাসখনৰ বিষয়বস্তু মূলতঃ এজন মানুহৰ উপলব্ধি আৰু জীৱনৰ অভিজ্ঞতাত আহৰণ কৰা জীৱনৰ অৰ্থৰ মূল্যায়ন। ব্যক্তিগত জীৱনৰ সফলতা-বিফলতা প্ৰত্যেকজন মানুহৰে থাকে। সেই কথাবোৰ কোনোবাই লিখে, কোনোবাই নিলিখে। লিখিলে প্ৰকাশ পায় জীৱনৰ অভিজ্ঞতা তথা মানুহৰ অস্বেচ্ছাকৃত স্মৃতি বা অনিয়ন্ত্ৰণীয় মানসিক ক্ৰিয়া-প্ৰতিক্ৰিয়া, অনিৰ্বাচিত সৰু-বৰ বিশৃঙ্খল কথা আৰু কামৰ এক বিৱৰণ। এই বিৱৰণৰ মূল ব্যক্তিগৰাকী হ'ল ভূদেৱ চৌধুৰী। জীৱনৰ গধূলিপৰত থিয় হৈছে। প্ৰত্যেকজন মানুহে জীৱনৰ গধূলিপৰত পোৱা নোপোৱাৰ অংকত ব্যস্ত। নিসংগতা, শূণ্যতাই আগুৰি ধৰে জীৱনক, গতি

কৰে অনিশ্চিত ভৱিষ্যতৰ দিশে। এয়াই যেন জীৱন সমাপ্তিৰ আৰম্ভণি—

> *‘এটা শূণ্যতাৰ ভাবে লাহে লাহে মনত প্ৰৱেশ কৰিবলৈ ধৰে। দৰমহাৰ নিৰিখৰ পৰিৱৰ্তন, নতুন উচ্চতৰ পদৰ সৃষ্টি, এইবোৰ কথাত আগ্ৰহ নাইকিয়া হৈ পৰে। অৰ্থাৎ জীৱনত নতুনকৈ আশা কৰিবলগীয়া আৰু একো নাই। এইয়েই হ’ল সমাপ্তিৰ পথত আগবঢ়াৰ আৰম্ভণি।’* [১২]

শীলভদ্ৰৰ উপন্যাসসমূহৰ ভিতৰত ‘অনুসন্ধান’ উপন্যাসখন কলেৱৰত ডাঙৰ। মুঠ সাতচল্লিছটা অধ্যায়ত বিভক্ত। প্ৰতিটো অধ্যায়ত একো-একোটা সৰু কাহিনী সন্নিৱিষ্ট হৈ আছে। প্ৰতিটো কাহিনীৰ আঁৰত ভৃগু চৌধুৰীৰ অতীত আৰু বৰ্তমানৰ ছবি পৰিস্ফুটিত হৈছে। অতীতৰ স্মৃতি ৰোমন্থন আৰু অতীতৰ কিছু ধাৰণা যে ভুল আছিল, সেইকথা উপলব্ধি কৰিব পাৰিছে। কাৰণ অতীত অতীতেই, অতীতক ৰোমন্থন কৰি বৰ্তমানৰ লগত খোজ মিলাই চলিব লাগিব, বৰ্তমান অবিহনে সমাজত চলিব পৰাটো যে সম্ভৱ নহয়, তাৰে এক অনুসন্ধান ভৃগু চৌধুৰীৰ জীৱনত আৰম্ভ কৰিছে। কেতিয়াবা তৃতীয় পুৰুষত অৱতীৰ্ণ হৈ জীৱনত ঘটি যোৱা সহজ আৰু জটিল সন্ধিক্ষণবোৰ বৰ্ণনা কৰিছে। লেখকৰ দৃষ্টিত ঘটনাবোৰ সৰু, আনৰ দৃষ্টিত একো ভাবিবলগীয়া ঘটনা নহয়, কিন্তু সেই ঘটনাবোৰৰ মাজতে জীৱন আৰু সমাজৰ সাৰ্থকতা বিচাৰি পাইছে। সেই দৃষ্টিকোণৰ পৰা উপন্যাসখনৰ নামকৰণত যথেষ্ট সচেতনতা অৱলম্বন কৰা পৰিলক্ষিত হয়। ‘অনুসন্ধান’ মানে হ’ল ‘সকলো কথাৰ আগগুৰি বিচাৰ কৰা।’ অৰ্থাৎ ‘Information leading to a discovery.’ জীৱনে জীৱনক কৰা অবিৰত সন্ধান। ভৃগু চৌধুৰীৰ জীৱন অন্বেষণেই হ’ল ‘অনুসন্ধান’ উপন্যাসখনৰ পটভূমি।

‘প্ৰাচীৰ’ উপন্যাসখনৰ পটভূমি বিশ্ববিদ্যালয় চৌহদ। বিশ্ববিদ্যালয়ৰ অধ্যাপক শ্যামল বৰুৱা। বৰুৱাই কৰ্মস্থল ঠাইৰ অভিজ্ঞতা আৰু জন্ম ঠাই গোৱালপাৰাৰ পূৰ্ব অভিজ্ঞতাৰ ভাষা-সাহিত্য, সংস্কৃতিক মূল বিষয় হিচাপে লৈ উপন্যাসখনৰ কাহিনী গতি কৰিছে। অধ্যাপক জীৱনৰ ব্যস্ততা আৰু নগৰকেন্দ্ৰিক সভ্যতাই শ্যামল বৰুৱাক আমনি কৰে যদিও জন্ম ঠাইৰ মানুহ লগ পালে আৱেগবিহ্বলভাৱে অতীতলৈ উভতি যায়। অতীতৰ বহু কথাই অভিজ্ঞতাৰ সাঁকো মজবুত কৰে। তেতিয়া শ্যামল বৰুৱা উভতি যায় শৈশৱ, যৌৱন পাৰ কৰা গোৱালপাৰাৰ বিভিন্ন অঞ্চললৈ। গোৱালপাৰাৰ সংস্কৃতি আৰু ঐতিহ্যক লৈ শ্যামল বৰুৱা সদা-সচেতন।

মাণিক দত্ত, গগন দত্ত, ফৰিঙ, ৰেখা আদিৰ সাক্ষাতে গোৱালপাৰাৰ ঐতিহ্য, সমাজ-সংস্কৃতি, ব্যৱহাৰিক আচাৰ-অনুষ্ঠান, সুহৃদয়তা ভাব, গোৱালপাৰাৰ মানুহৰ চাৰিত্ৰিক গুণ আদিৰ বিৱৰণ তুলি ধৰাৰ লগতে গৱেষক নিজৰা ফুকনে গোলকগঞ্জৰ পৰা মৃন্ময় শিল্প, কুঁহিলা শিল্পৰ বিভিন্ন সামগ্ৰী আনি শ্যামল বৰুৱাক দেখুৱাই গোৱালপাৰাৰ সংস্কৃতি সম্পৰ্কত পঞ্চমুখ হয় আৰু শ্যামল বৰুৱায়ো গৌৰৱ অনুভৱ কৰে সচাঁ, কিন্তু যিবোৰ শিল্প লৈ আহিছে, সেইবোৰ শ্যামল বৰুৱাৰ দৃষ্টিত অতি সাধাৰণ। কাৰণ পুৰণি দিনৰ সূক্ষ্ম কাৰুকাৰ্য থকা বস্তু এটাও নাই। কিয়নো শিল্প আৰু সংস্কৃতিৰ বিশিষ্টতাৰ ধাৰাবাহিকতাৰ পৰিশুদ্ধতাক ধৰি ৰাখিব পাৰে নিম্ন শ্ৰেণীৰ মানুহে আৰু সেই অঞ্চল বাহিৰৰ প্ৰভাৱৰ পৰা সম্পূৰ্ণ মুক্ত হ'ব লাগিব, তেতিয়াহে পৰম্পৰাগত বৈশিষ্ট্য শিল্পৰ মাজত ধৰি ৰখা সম্ভৱ। কাৰণ ইয়ে থলুৱা শিল্পৰ শিল্পীসত্তা আৰু থলুৱা জীৱনধাৰা আৰু মূল্যবোধৰ পৰিচয়ে হ'ল প্ৰাচীৰ উপন্যাসখনৰ পটভূমি।

**উপসংহাৰ ঃ**

শীলভদ্ৰই উপন্যাসত স্থানীয় ৰূপৰ উপস্থাপন, বৈচিত্ৰ্য আৰু ইয়াৰ গভীৰতা প্ৰকাশৰ বাবে হয়তো নিৰ্দিষ্ট অঞ্চল তথা অবিভক্ত গোৱালপাৰা জিলাৰ জমিদাৰ শাসিত অঞ্চল গৌৰীপুৰক নিৰ্বাচন কৰিছিল। সেই গৌৰীপুৰতে শীলভদ্ৰৰ জন্ম, শৈশৱ, শিক্ষা আৰু ঠিকাদাৰী কৰ্ম জীৱনে সেই অঞ্চলৰ মানুহৰ লগত গঢ় লৈছিল আত্মিক সম্পৰ্ক। ফলত সেই অঞ্চলৰ মানুহ, মাটি, ভাষা সংস্কৃতিৰ ভিতৰত প্ৰৱেশ কৰি স্থানীয় পৰিৱেশ, চৰিত্ৰক পটভূমি হিচাপে গ্ৰহণ কৰে। অবিভক্ত গোৱালপাৰা জিলা তথা জমিদাৰ শাসিত অঞ্চল গৌৰীপুৰক পটভূমি হিচাপে নিৰ্বাচন কৰাৰ মূলতঃ ঊনবিংশ শতিকাৰ আৰম্ভণিত ইংৰাজ শাসন প্ৰৱৰ্তিত হোৱাৰ পাছত ১৮৬৭ খ্ৰীষ্টাব্দত উত্তৰবংগৰ ৰংপুৰ জিলাৰ ব্ৰহ্মপুত্ৰৰ দুয়োপাৰৰ পূৱ আৰু উত্তৰখণ্ডক বিচ্ছিন্ন কৰা হয় আৰু সেই বিচ্ছিন্ন অঞ্চলটোক গাৰোপাহাৰ, ভূটান, পূৱদূৱাৰ আদি কৰি কোচবিহাৰৰ লগত কিছুকাল যুক্ত কৰি ৰখা হয়। পৰৱৰ্তী সময় তথা ১৮৭৪ খ্ৰীষ্টাব্দত পূৱ আৰু উত্তৰখণ্ডৰ কিছু অংশক সাঙুৰি গোৱালপাৰা নামে এখন নতুন জিলা হিচাপে অসমৰ লগত সংযোজন কৰে। অসমৰ লগত সংযোজিত হোৱাৰ পাছত বৃটিছ আৰু জমিদাৰ শাসিত অঞ্চল হিচাপে সুকীয়া পৰিৱেশ, পৰিস্থিতি আৰু উন্নতিৰ গণ্ডীত আছিল। কিন্তু স্বাধীনতা

আন্দোলনৰ প্ৰভাৱ আৰু স্বাধীনতা লাভৰ পাছত অবিভক্ত গোৱালপাৰা জিলাৰ পৰিৱেশ, পৰিস্থিতি আৰু উন্নতিৰ বাতাবৰণ সলনি হয়। বিশেষকৈ অসমৰ লগত চামিল হোৱাৰ পাছত যেনে ধৰণে উন্নতি হ'ব লাগিছিল, তেনেদৰে উন্নতি হোৱা নাই। একাষাৰত উপেক্ষিত অঞ্চল হিচাপে চিহ্নিত হৈ আহিছিল।

গৌৰীপুৰ জমিদাৰ বসতি অঞ্চল হিচাপে গৌৰীপুৰৰ সামাজিক, শৈক্ষিক, ৰাজনৈতিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক দিশত চহকী অঞ্চল, কিন্তু অবিভক্ত গোৱালপাৰা জিলা তথা গৌৰীপুৰৰ অন্তৰ্গত ধুবুৰী, বগৰীবাৰী, বিলাসীপাৰা, শালকোচা, চাপৰ, আগমনী, গোলকগঞ্জ, আলোকঝাৰি, খোৰাঘাট, কোকৰাঝাৰ আদি অঞ্চলৰ সমান উন্নতি হোৱা নাছিল। এই অঞ্চলবোৰৰ লগত শীলভদ্ৰৰ সম্পৰ্ক আছিল গভীৰ। ইয়াৰ পৰিৱেশ, পৰিস্থিতি আৰু লেহেমীয়া উন্নতিয়ে উপন্যাসৰ পটভূমি হিচাপে নিৰ্বাচন কৰাত সহায় কৰিছে।

অবিভক্ত গোৱালপাৰা জিলা বহু বছৰ কাল অসমৰ লগত সংযুক্ত থকাৰ পাছতো দক্ষিণ আৰু পশ্চিম অঞ্চলৰ ভাষা, লোকাচাৰ, লোক-সংস্কৃতিৰ একো পৰিৱৰ্তন হোৱা নাই, বৰঞ্চ সুকীয়া সত্তাৰে অসমীয়া সংস্কৃতিত গোৱালপাৰা অঞ্চলৰ সংস্কৃতিয়ে স্থান দখল কৰিছে। এনে ভিন্ন সত্তাৰ ভাষা, সংস্কৃতি আৰু সামাজিক অৱস্থাৰ বিৱৰণ শীলভদ্ৰৰ উপন্যাসত সততে প্ৰতিফলিত হয়।

শীলভদ্ৰৰ উপন্যাসসমূহত গোৱালপাৰা অঞ্চলৰ কথিত ভাষাৰ প্ৰয়োগ আৰু ইয়াৰ পৰিৱেশ তথা বাতাবৰণ সৃষ্টিয়ে সেই অঞ্চলৰ সমাজ জীৱনৰ সহজ-সৰল চিত্ৰ প্ৰকাশ কৰাত সহজ হয়। তদুপৰি ভৌগোলিক সংস্কৃতি আৰু ইতিহাস, ঐতিহ্যৰ পৰম্পৰাত জীয়াই থকা মানুহৰ সহজ স্পন্দনৰ অনুভূতি প্ৰকাশ কৰিবলৈ যাওঁতে ভাষাই মূল ভূমিকা গ্ৰহণ কৰে।

গৌৰীপুৰ তথা মধুপুৰ শীলভদ্ৰৰ উপন্যাসৰ পটভূমি। সেইহেতুকে মধুপুৰ অঞ্চলৰ প্ৰকৃতি, মানুহৰ চাল-চলন, বেশভূষ্যা, কথনভংগী, সংস্কৃতি আৰু পৰিৱেশৰ লগত একাত্মবোধ গঢ় দিছে। একাষাৰত তেখেতৰ উপন্যাসৰাজি প্ৰত্যক্ষ অভিজ্ঞতাৰ ফচল। সেইকথা 'আগমনীৰ ঘাট' উপন্যাসত উল্লেখ কৰিছে —

*'ঠিকাদাৰী কৰি মোৰ লাভ হ'লনে লোকচান হ'ল এই হিচাপ কৰিবলৈ হ'লে লাভৰ অংশত অন্ততঃ এটা কথা উল্লেখ কৰিব লাগিব। আৰু এই*

*বিষয়ে প্ৰতুলৰ ওচৰত মই কৃতজ্ঞ। ঠিকাদাৰী কৰা কাৰণেহে এই অঞ্চলৰ গাঁৱৰ সাধাৰণ মানুহৰ জীৱনধাৰা, পূজা-পাৰ্বন, বিভিন্ন উৎসৱ আদি সম্বন্ধে মোৰ সামান্য, অতি সামান্য ধাৰণা হৈছে।'* [১৩]

এনে ভিন্ন দৃষ্টিকোণৰ ওপৰত ৰেখাপাত কৰি শীলভদ্ৰই উপন্যাসৰ পটভূমি নিৰ্বাচন কৰিছিল, তাত কোনো সন্দেহৰ অৱকাশ নাই। কাৰণ কাহিনীৰ লগত পটভূমিৰ সম্পৰ্ক গভীৰ। থমাছ্ হাৰ্ডিৰ উপন্যাস মূলতঃ কাহিনী প্ৰধান। সেই কাহিনীবোৰৰ পটভূমি সদায় ওৱেছেকস্ (Wessex) অঞ্চল। শীলভদ্ৰৰ উপন্যাসো কাহিনী প্ৰধান আৰু পটভূমি মধুপুৰ অঞ্চল। সেয়েহে মধুপুৰ অঞ্চলক নিলগাই শীলভদ্ৰৰ উপন্যাসৰ পটভূমি বিচাৰ্য লৈ আনিব নোৱাৰি। গতিকে মধুপুৰ অঞ্চলৰ পৰিৱেশ, ঘটনা-পৰিঘটনা, ভাষা-সংস্কৃতি আৰু ইয়াৰ জীৱন চৰ্চাৰ বৃত্তান্তই হ'ল শীলভদ্ৰৰ উপন্যাসৰ পটভূমি।

## প্ৰসংগটোকা

১) শীলভদ্ৰ, শীলভদ্ৰৰ উপন্যাস সমগ্ৰ, আগমনীৰ ঘাট, পৃ.- ৪৪

২) শীলভদ্ৰ, শীলভদ্ৰৰ উপন্যাস সমগ্ৰ, মধুপুৰ, পৃ.- ১৫৬

৩) উল্লিখিত, পৃ.- ১৭১

৪) উল্লিখিত, পৃ.- ১৬৩

৫) উল্লিখিত, পৃ.- ১৬২

৬) উল্লিখিত, পৃ.- ১৫০

৭) শীলভদ্ৰ, পূৰ্বোউল্লিখিত, পৃ.- ৩৬

৮) শীলভদ্ৰ, পূৰ্বোউল্লিখিত, পৃ.- ৪৯

৯) শীলভদ্ৰ, পূৰ্বোউল্লিখিত, পৃ.- ৪৬

১০) সতোন্দ্ৰ নাথ শৰ্মা, অসমীয়া উপন্যাসৰ গতিধাৰা, পৃ.- ২৬৪

১১) শীলভদ্ৰ, শীলভদ্ৰৰ উপন্যাস সমগ্ৰ, আহঁতগুৰি, পৃ.- ২৭৮

১২) শীলভদ্ৰ, শীলভদ্ৰৰ উপন্যাস সমগ্ৰ, গধূলি, পৃ.- ২২৩

১৩) শীলভদ্ৰ, পূৰ্বোউল্লিখিত, পৃ.- ৩৫